# Telephone Conversation between Prime Minister and Japanese Prime Minister Mr. Abe Shinzo

September 10, 2020

---

# ভাৰত আৰু জাপানৰ প্ৰধানমন্ত্ৰীৰ মাজত টেলিফোন যোগে বাৰ্তালাপ

ছেপ্তেম্বৰ 10, 2020

1. 10 ছেপ্তেম্বৰ 2020 তাৰিখে প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে জাপানৰ প্ৰধানমন্ত্ৰী মহামান্য শ্ৰী আবে শ্বিনজৰ সৈতে টেলিফোন যোগে বাৰ্তালাপত মিলিত হয়।

2. দুয়োখন দেশৰ মাজৰ পাৰস্পৰিক বিশ্বাস আৰু বন্ধুত্বৰ কথা দোহাৰি দুয়ো গৰাকী নেতাই পৰস্পৰৰ দেশত ভ্ৰমণৰ সময়ছোৱাৰ অভিজ্ঞতাৰ কথা স্মৰণ কৰে।

3. প্ৰধানমন্ত্ৰী মোডীয়ে দুয়োখন দেশৰ মাজৰ সম্পৰ্কক অধিক দৃঢ় কৰাৰ ক্ষেত্ৰত ব্যক্তিগত প্ৰতিশ্ৰুতি আৰু নেতৃত্বৰ কাৰণে প্ৰধানমন্ত্ৰী আবেৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে।

4. দুয়োগৰাকী নেতাই ভাৰত-জাপান বিশেষ কৌশলগত আৰু বৈশ্বিক অংশীদাৰিত্বৰ পৰিকাঠামোৰ অধীনত মুম্বাই-আহমেদাবাদ হাই স্পীড ৰেল (MAHSR) প্ৰকল্প সহ বিদ্যমান সহযোগিতাৰ স্থিতিৰ পৰ্যালোচনা কৰে। দুয়োখন দেশৰ মাজত দৃঢ় আৰু স্থায়ী অংশীদাৰিত্বই ক'ভিডৰ পৰৱৰ্তী সময়ত বিশ্ব সম্প্ৰদায়ৰ কাৰণে তালিকা নক্সা প্ৰস্তুত কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি দুয়োগৰাকী নেতাই সহমত পোষণ কৰে।

5. দুয়োগৰাকী নেতাই ভাৰতীয় সসস্ত্ৰ বাহিনী আৰু জাপানৰ আত্ম-প্ৰতিৰক্ষা বাহিনীৰ মাজত যোগান আৰু সেৱাসমূহৰ পাৰস্পৰিক উপবন্ধৰ ওপৰত চুক্তি স্বাক্ষৰৰ বাবে স্বগতম জনায়। এই চুক্তিয়ে দুয়োখন দেশৰ মাজত প্ৰতিৰক্ষা সহযোগিতা বৃদ্ধি কৰিব আৰু ভাৰত-প্ৰশান্ত অঞ্চলতশান্তি আৰু সুৰক্ষাৰ ক্ষেত্ৰত অৰিহণা যোগাব বুলি তেওঁলোক একমত হয়।

6. ক'ভিড-19 মহামাৰীৰ সময়ত পৰস্পৰৰ নাগৰিকসকলৰ প্ৰতি আগবঢ়োৱা সহায়ৰ বাবে নেতা দুগৰাকীয়ে এজনে আনজনক প্ৰশংসা কৰে আৰু দুয়োখন দেশৰ জনসাধাৰণৰ মাজত শক্তিশালী সম্পৰ্ক বজাই ৰখিবৰ কাৰণে এনেধৰণৰ প্ৰচেষ্টা অব্যাহত ৰখাৰ কথাত সহমত পোষণ কৰে।

7. দুয়োগৰাকী নেতাই এই কথাটোক লৈ আত্মবিশ্বাসী যে বিগত কিছু বছৰত ভাৰত-জাপানৰ অংশীদাৰিত্বৰ ফলত লাভ কৰা প্ৰৱল গতি ভৱিষ্যতলৈও অবিৰামভাৱে অব্যাহত থকিব। প্ৰধানমন্ত্ৰীয়ে জাপানৰ চৰকাৰৰ সৈতে ঘনিষ্ঠভাৱে কাম কৰাৰ তেখেতৰ অভিপ্ৰায়ৰ কথা জনাই আৰু প্ৰধানমন্ত্ৰী অবেক ভৱিষ্যৰ বাবে শুভকামনা জনায়।

**নতুন দিল্লী**

**ছেপ্তেম্বৰ 10, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.